## মাৰ্ঘেৰিটা গ্ৰন্থমেলাত তৰ্ক প্ৰতিযোগিতা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ

# বিশিষ্ট ঔপন্যাসিক য়েছে দৰজে ঠংচিক 'পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা'

দৈনিক অসমৰ প্ৰতিনিধি

মাৰ্ঘেৰিটা, ২৩ জানুৱাৰী ঃ বিশিষ্ট সাহিত্যিক,ঔপন্যাসিক, পদ্মশ্ৰী য়েছে দৰজে ঠংচিক কালি মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা-২০২৬ৰ বাককৰিত প্ৰদান কৰা হয় 'পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা-২০২৬'। বঁটা প্ৰদান অনুষ্ঠানত অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাই, সহকাৰী সম্পাদক মনজিৎ ৰাজখোৱা, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অতনু কাকতি, মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা-২০২৬ৰ যুটীয়া সম্পাদক ডঃ ঋণজুন শইকীয়া, মোলেন বৰুৱা, প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সাধাৰণ সম্পাদক মানস প্ৰতিম গগৈৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা-২০২৬ৰ মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহৰ মঞ্চত এই বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। সমাৰোহত উপস্থিত থকাসকলৰ সৈতে বিশিষ্ট সাহিত্যিকগৰাকীৰে মত বিনিময় অনুষ্ঠিত হয়। বঁটা প্ৰদান কাৰ্যসূচীৰ পূৰ্বে শ্বহীদ তৰ্পণ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি, গছপুলি ৰোপণ কৰা হয়। সভাত অধ্যক্ষ ডঃ অতনু কাকতিকো সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে মাৰ্ঘেৰিটা মহাবিদ্যালয়ত বিগত বৰ্ষৰ দৰে এইবাৰো অনুষ্ঠিত হৈছে জুবিন গাৰ্গ সোঁৱৰণী গ্ৰন্থমেলা। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান



নিৰূপণ কোষ আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সংস্থাৰ উদ্যোগত অনুষ্ঠিত হৈছে এই গ্ৰন্থমেলা। ২৫ জানুৱাৰীত সামৰণি পৰিবলগীয়া গ্ৰন্থমেলাৰ বাককৰিত কালি দিলীপ কুমাৰ চুতীয়া সোঁৱৰণী সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ অনুষ্ঠিত হয়। প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সভাপতি মোলেন বৰুৱাই সঞ্চালনা কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ আঁত ধৰে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সংস্থাৰ সম্পাদক মানস প্ৰতিম গগৈয়ে। গ্ৰন্থমেলাখনত অসমৰ আগশাৰীৰ ভালেকেইটা প্ৰকাশন প্ৰতিষ্ঠান আৰু গ্ৰন্থ বিপণীয়ে অংশগ্ৰহণ কৰিছে। গ্ৰন্থমেলাৰ বাককৰিত প্ৰতিদিনে অনুষ্ঠিত হৈছে বিভিন্ন অনুষ্ঠান।

portal : www.dainikjanambhumi.com e-paper : www.

৫৪ সংখ্যাক বছৰ ● তিনিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ১৩৫ ● শুকুৰবাৰ ● ৯ মাঘ ১৯৪৭ শক RNI No. ASSASS/20

তিনিচুকীয়া জিলা সাহিত্য সভা, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ উদ্যোগ

# য়েছে দৰজে ঠংচিক পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা' প্ৰদান



ৰী আৰু মাৰ্ঘেৰিটাৰ নিজা প্ৰতিবেদক, ২২ ী ঃ তিনিচুকীয়া জিলা সাহিত্য সভাই বিশিষ্ট ক, ঔপন্যাসিক, পদ্মশ্ৰী য়েছে দৰজে *১০ পিঠিলৈ*

প্ৰয়োজনীয় মাট ...

## য়েছে দৰজে ঠংচিক 'পাটকাই বুঢ়ীদিহিং...

ঠংচিক আজি মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা-২০২৬ৰ বাকৰিত 'পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা ২০২৬' প্ৰদান কৰে। ২১ জানুৱাৰীৰ পৰা অনুষ্ঠিত মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা ২০২৬ৰ বাকৰিত তিনিচুকীয়া জিলা সাহিত্য সভাই মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ সহযোগত এই বঁটা প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাই, সহকাৰী সম্পাদক মনজিৎ ৰাজখোৱা, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অতনু কাকতী, মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা ২০২৬ৰ যুটীয়া সম্পাদক ড° ৰুণজুন শইকীয়া, মোলেন বৰুৱাৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপকসকল আৰু ছাত্ৰ-ছাত্ৰীসকল। অসমীয়া সাহিত্যত পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ প্ৰতীক হিচাপে কাম কৰি সাহিত্য সৃষ্টি কৰা য়েছে দৰজে ঠংচিয়ে বঁটা গ্ৰহণ কৰি কয় যে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰিবলৈ তেওঁ যি সিদ্ধান্ত লৈছিল সেই সিদ্ধান্ত সঠিক সিদ্ধান্ত আছিল। অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি, উপন্যাস লিখি অসমবাসীৰ পৰা পোৱা মৰম-চেনেহ, আদৰৰ কথা তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। যিমান দিনলৈ পাৰে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি নতুন নতুন গ্ৰন্থ অসমবাসীক উপহাৰ দিব বুলি কয়। সাহিত্য সভাই ভাষা-সাহিত্যৰ বাবে যি কাম কৰিছে তাক প্ৰশংসা কৰে আৰু এই ক্ষেত্ৰত সাহিত্য সভাৰ বহু কৰণীয় আছে বুলি কয়। অৰুণাচলত অসমীয়া ভাষাটো প্ৰচাৰ আৰু প্ৰসাৰ হোৱাটো তেওঁ বাঞ্ছা কৰা লগতে এই ক্ষেত্ৰত বহুদিনৰ পৰা কাম কৰি আছে বুলি কয়। অৰুণাচলত অসমীয়া ভাষাত অধ্যয়ন কৰিব বিচৰা সকলৰ বাবে বিশেষ প্ৰদক্ষেপ গ্ৰহণ কৰি লক্ষীমপুৰ মহাবিদ্যালয় (স্বায়ত্ত শাসিত) ৰ সৈতে নতুনকৈ এখন চুক্তিত স্বাক্ষৰ কৰা কথা জানিবলৈ দিয়ে। সভাৰ শেষত উপস্থিত থকা সকলোৰে সৈতে অন্তৰংগ আলাপত মিলিত হয়। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে শলাগ জ্ঞাপন কৰাৰ ...

আজি দিলীপ কুমাৰ চুতীয়া সোঁৱৰণী সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। আনহাতে গ্ৰন্থ মেলা বাকৰিত আজি অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ। প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ সভাপতি মোলেন বৰুৱাই সঞ্চালনা কৰা প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহৰ আঁত ধৰে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সংস্থাৰ সম্পাদক মানস প্ৰতিম গগৈয়ে। প্ৰাক্তন শিক্ষাৰ্থীসকলে গীত মাতেৰে জীপাল কৰি তোলে গ্ৰন্থ মেলা বাকৰি। গ্ৰন্থ মেলাখনত অসমৰ আগশাৰীৰ ভালেকেইটা প্ৰকাশন প্ৰতিষ্ঠান আৰু গ্ৰন্থ বিপনীয়ে অংশগ্ৰহণ কৰিছে। গ্ৰন্থ মেলা বাকৰিত প্ৰতিদিনে আয়োজন কৰা হৈছে বিভিন্ন অনুষ্ঠান। কালিলৈ বিয়লি এক বজাত অনুষ্ঠিত হ'ব কবি সন্মিলন আৰু বিয়লি চাৰি বজাত অনুষ্ঠিত হ'ব বক্তৃতানুষ্ঠান। সন্ধিয়া অনুষ্ঠিত হৈছে সাংস্কৃতিক অনুষ্ঠান। উল্লেখযোগ্য যে গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ঔপন্যাসিক ড° মৃণাল কলিতা উপস্থিত থাকে। প্ৰথম দিনা নিশা সাংস্কৃতিক অনুষ্ঠান আমন্ত্ৰিত আৰু স্থানীয় শিল্পীসকলে গীতনৃত্যৰে জীপাল কৰি তোলে। দিলীপ কুমাৰ চুতীয়া সোঁৱৰণী সদৌ অসম ভিত্তিক আন্তঃমহাবিদ্যালয়/বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিক ঋতুৰাজ শইকীয়া (গুৱাহাটী বিশ্ববিদ্যালয়), দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক গীতাৰ্থ বৰা (কটন বিশ্ববিদ্যালয়), প্ৰথম শ্ৰেষ্ঠ দল ঋতুৰাজ শইকীয়া আৰু অনুপ্ৰেৰণা মহন্ত (গুৱাহাটী বিশ্ববিদ্যালয়), দ্বিতীয় শ্ৰেষ্ঠ দল গীতাৰ্থ বৰা আৰু কপিল দেব গোস্বামী (কটন বিশ্ববিদ্যালয়), তৃতীয় শ্ৰেষ্ঠ দল অংগণা বৰদলৈ আৰু চয়নিকা ভট্টাচাৰ্য (ডিগবৈ মহাবিদ্যালয়)। আনহাতে মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা ২০২৬ৰ মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহৰ মঞ্চত এই বটা প্ৰদান কাৰ্য্যসূচী অনুষ্ঠিত হয়। বঁটা প্ৰদান কাৰ্য্যসূচী পুৰ্বে শ্বহীদ তৰ্পণ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি, গছপুলি ৰোপণ আদিৰ পাছতেই প্ৰাক্তন শিক্ষাৰ্থী সংস্থাৰ কাৰ্য্যনিৰ্বাহক সভাৰ সমান্তৰালভাৱে প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহখন অনুষ্ঠিত হয়। এই অনুষ্ঠানত শতাধিক প্ৰাক্তন ছাত্ৰী উপস্থিত থাকে। সভাত অধ্যক্ষ ড° অতনু কাকতিক্যো সম্বৰ্ধনা জনোৱা হয়।

জুবিন গাৰ্গ সোঁৱৰণী গ্ৰন্থমেলাত ছাত্ৰ-ছাত্ৰী সমাৰোহ, তৰ্ক প্ৰতিযোগিতা

# মাৰ্ঘেৰিটাত য়েছে দৰজে ঠংচিক পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা প্ৰদান



## মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঋতুৰাজ শইকীয়া

নিয়মীয়া বাৰ্তা, মাৰ্ঘেৰিটা, ২২ জানুৱাৰী ঃ মাৰ্ঘেৰিটা মহাবিদ্যালয়ত বিগত বৰ্ষৰ দৰে এইবাৰো কালিৰ পৰা আৰম্ভ হৈছে জুবিন গাৰ্গ সোঁৱৰণী গ্ৰন্থমেলা। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সংস্থাৰ উদ্যোগত আয়োজন কৰা হৈছে এই গ্ৰন্থমেলাৰ। ২১ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈ অনুষ্ঠিত গ্ৰন্থমেলাৰ বাকৰিত আজি দিলীপ কুমাৰ চুতীয়া সোঁৱৰণী সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ ১৫ পৃষ্ঠাত



# য়েছে দৰজে ঠংচিলৈ 'পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা-২০২৬'



## ▢ অসমীয়া সাহিত্যত পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ বিশেষ অৰিহণা ▢

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ জানুৱাৰী ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাই বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, পদ্মশ্ৰী য়েছে দৰজে ঠংচিক আজি মাঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা-২০২৬ৰ বাকৰিত "পাটকাই বুঢ়ীদিহিং সমন্বয় বঁটা ২০২৬" প্ৰদান কৰে। ২১ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈকে অনুষ্ঠিত হোৱা মাঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা ২০২৬ৰ বাকৰিত

■ ৮ পৃষ্ঠাত